# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী - ৭৮১ ০২০
NOONMATI, GUWAHATI - 781 020

কৰ্ম মোৰ সংস্কৃতি

☎ : 0361-2557921 (Principal)
2654229 (Office)
E-Mail : Info@assamjatiyabidyalaya.com
Website : www.assamjatiyabidyalaya.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

অসম জাতীয় বিদ্যালয়ত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদযাপন
নুনমাটি, গুৱাহাটী -২০
দিনাংক: ২১/০২/২০১৮

মাতৃভাষাৰ সংৰক্ষণ, সংবৰ্ধন তথা বহুভাষাবাদৰ প্ৰসাৰৰ উদ্দেশ্যে বিশ্ব জুৰি পালন কৰা এই আন্তৰ্জাতিক মাতৃভাষা দিৱস আজি গুৱাহাটীস্থ অসম জাতীয় বিদ্যালয়তো উদযাপন কৰা হয়। বিদ্যালয় প্ৰাংগনত বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত এই অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিশ্বৰ ভিন্ন প্ৰান্তত নিজ মাতৃভাষাৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলক সুঁৱৰি মৌন প্ৰাৰ্থনাৰে শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ পাছত মাতৃভাষা দিৱসৰ পটভূমি তথা বৰ্তমানৰ প্ৰাসংগিকতাৰ বৰ্ণনাৰে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানৰ মূল বক্তৃতা প্ৰদান কৰে ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী তথা সাহিত্য সমালোচক ড° হীৰেন গোহাঁইয়ে। ভাষণ প্ৰসংগত গোহাঁইয়ে মাতৃভাষা মাতৃদুগ্ধৰ দৰেই একোটা জাতিৰ প্ৰাণ ৰক্ষাৰ বাবে অপৰিহাৰ্য বুলি মন্তব্য কৰি গছ-গছনিৰ বাবে সূৰ্যৰ পোহৰ আৰু পানী যেনেকুৱা ঠিক তেনেধৰণৰ বুলি উল্লেখ কৰে। আনহাতে প্ৰান্তিকৰ সম্পাদক প্ৰদীপ বৰুৱাই মাতৃভাষাৰ সন্দৰ্ভত ব্যক্তিগত অভিজ্ঞতা ব্যক্ত কৰে। অভিধান প্ৰণেতা তথা বিশিষ্ট বিজ্ঞান লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে অভিধান, উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰাৰ প্ৰসংগত ৰসাল অথচ তত্ত্বগধুৰ বক্তৃতা আগবঢ়ায়।

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী - ৭৮১ ০২০
NOONMATI, GUWAHATI - 781 020

কৰ্ম মোৰ সংস্কৃতি

☎ : 0361- 2557921 (Principal)
2654229 (Office)
E-Mail : Info@assamjatiyabidyalaya.com
Website : www.assamjatiyabidyalaya.com


প্ৰসংগ :
Ref :

তাৰিখ :
Date :

অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট কবি নীলিম কুমাৰে কবিতা পাঠ কৰি সকলোকে মুগ্ধ কৰে। এই বক্তৃতা অনুষ্ঠানৰ সঞ্চালনা কৰে অসম জাতীয় বিদ্যালয়ৰ সচিব ডা. নাৰায়ণ শৰ্মাই। মাতৃভাষা দিৱসৰ এই অনুষ্ঠানত ৰাজ্যখনৰ বহু সম্ভ্ৰান্ত গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীয়ে।

[signature]
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

# আন্তৰ্জাতিক মাতৃভাষা দিৱস

# ২১ ফেব্ৰুৱাৰি, ২০১৮

# অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-২০

## কাৰ্যসূচী

| | | | |
|---|---|---|---|
| ১। | আৰম্ভণি ঘোষণা আৰু পৰিচালনা : যুথিকা পাটোৱাৰী | : | ১ মিনিট |
| ২। | বন্তি প্ৰজ্জ্বলন : অধ্যক্ষ | : | ২ মিনিট |
| ৩। | তাৎপৰ্য ব্যাখ্যা : অসীম কৃষ্ণ বৰুৱা | : | ৩ মিনিট |
| ৪। | সমবেত সংগীত | : | ৫ মিনিট |
| ৫। | সঞ্চালক আৰু অতিথিসকলৰ আসন গ্ৰহণ | : | ৩ মিনিট |
| ৬। | অতিথিৰ চিনাকি আৰু সম্বৰ্ধনা | | |
| | ক) ডᶜ দীনেশ চন্দ্ৰ গোস্বামী | | |
| | চিনাকি আগবঢ়াব : পংকজ দত্ত | : | ৩ মিনিট |
| | সম্বৰ্ধনা জনাব : উদয়া ফুকন, উপাধ্যক্ষা | | |
| | খ) প্ৰদীপ বৰুৱা, সম্পাদক প্ৰান্তিক | | |
| | চিনাকি আগবঢ়াব : লিপিমণি দত্ত | : | ৩ মিনিট |
| | সম্বৰ্ধনা জনাব : ধ্ৰুৱ শৰ্মা, উপাধ্যক্ষ | | |
| | গ) নীলিম কুমাৰ, কবি | | |
| | চিনাকি আগবঢ়াব : অপৰ্ণা দেৱী | : | ৩ মিনিট |
| | সম্বৰ্ধনা জনাব : ৰঘুনাথ কুমাৰ | | |
| ৭। | কবিতাত মাতৃভাষা | : | ১০ মিনিট |
| | বক্তা : কবি নীলিম কুমাৰ | | |
| ৮। | ডᶜ হীৰেন গোহাঁই মহোদয়ৰ চিনাকি | | |
| | চিনাকি আগবঢ়াব : অপৰাজিতা দত্ত | : | ৩ মিনিট |
| | সম্বৰ্ধনা জনাব : ঘনশ্যাম মেধি, অধ্যক্ষ | | |
| ৯। | মাতৃভাষাৰ সুৰক্ষাৰ শ্ৰীবৃদ্ধিত বাতৰি কাকত-আলোচনীৰ ভূমিকা | : | ১০ মিনিট |
| | বক্তা : শ্ৰীযুত প্ৰদীপ বৰুৱা | | |
| ১০। | মোৰ সুৱদী ভাষা | : | ১০ মিনিট |
| | প্ৰসংগ : অভিধান, উচ্চাৰণ আৰু বৰ্তমানৰ ধাৰা | | |
| | বক্তা : ডᶜ দীনেশ চন্দ্ৰ গোস্বামী | | |
| ১১। | মাতৃভাষা | : | ৩০ মিনিট |
| | বক্তা : ডᶜ হীৰেন গোহাঁই | | |
| ১২। | মুকলি আলোচনা | : | ২০ মিনিট |
| ১৩। | সঞ্চালকৰ মন্তব্য | : | ৫ মিনিট |
| ১৪। | শলাগৰ শৰাই | : | ২ মিনিট |
| ১৫। | অসম সংগীত | : | ৩ মিনিট |
| ১৬। | অনুষ্ঠানৰ সামৰণি ঘোষণা | | |

***

**International Mother Language Day observed at Assam Jatiya Bidyalay, Noonmati.**

21 February 2018, Noonmati: Like the other parts of India and the world, Assam Jatiya Bidyalay, Noonmati also today observed International Mother Language Day at its school campus where eminent scholar, literary critic and social scientist Dr. Hiren Gohain delivered the key-note speech. This day is observed all over the world on 21 February to promote awareness of linguistic and cultural diversity and promote multilingualism. This programme was organised by the school as a part of its year-long silver jubilee celebration. The programme was started by The principal lighting the Diya and paying silent tributes to those martyrs who laid their lives for safeguarding their own mother language. The significance of celebrating such an international event was explained to the audience by Ashim Krishna Baruah, a senior teacher from the Department of Social Science. Dr. Hiren Gohain in his key-note speech said that mother language is as important to a child as his mother's milk and it is utmost essential for a living nation. He also dwelt on the importance of the consciousness of the citizens for safeguarding their own language and to remain alert towards the apathy of the government machinery. Another speaker Dr. Dinesh Chandra Goswami spoke on using correct pronunciation and dictionary while teaching a language and applying it in a common platform and to remain alert from the invasion of other language. The editor of Prantik, Pradip Baruah said that learning through their mother tongue gives the little children a natural help to find their own identity. Renowned poet Nilim Kumar enthralled the audience by reciting a few of his compositions. Dr. Narayan Sharma, the secretary of the management committee, anchored the whole programme.